জনসংযোগ, অসম
মুখ্যমন্ত্ৰীৰ জনসম্পৰ্কৰক্ষী কোষ, দিছপুৰ
প্ৰেছ বাৰ্তা

নং ঃ ১৯৯/২০২১

**মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱৰ কৰ্মভূমি পাটবাউসী শ্ৰীমন্ত শংকৰদেৱ থান আৰু**

**মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱ স্থপিত আদিধাম শ্ৰীশ্ৰী পাটবাউসী সত্ৰ পৰিদৰ্শন কৰিলে মুখ্যমন্ত্ৰীয়ে**

# পাটবাউসীৰ দুয়োখন সত্ৰৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে ৰাজ্য চৰকাৰে বৃহৎ প্ৰকল্প হাতত ল'ব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৩ আগষ্ট ঃ** মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহাপুৰুষ শ্ৰীমন্ত শকংৰদেৱৰ কৰ্মভূমি পাটবাউসী শ্ৰীমন্ত শংকৰদেৱ থান পৰিদৰ্শন কৰি সেৱা আগবঢ়ায়। মুখ্যমন্ত্ৰীয়ে লগতে থানখনত সংৰক্ষিত হৈ থকা গুৰুজনাৰ স্মৃতি বিজড়িত সম্পদৰাজি প্ৰত্যক্ষ কৰে। থানখন পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই সত্ৰাধিকাৰ, সত্ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়া তথা ভকতবৃন্দৰ সৈতে মত-বিনিময় কৰি থানখনৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বিষয়ে আলোচনা কৰে। থান পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰী ড° শৰ্মাই থানখনৰ মুখ্য পাঠক কমলাকান্ত দাস জটিল ৰোগত আক্ৰান্ত হৈ থকা বুলি অৱগত হোৱাত তেখেতৰ উন্নত চিকিৎসাত সহায়ক হোৱাকৈ মুখ্যমন্ত্ৰীৰ সাহায্য পুঁজিৰ পৰা ১ লাখ টকা অনুদানৰ এখন চেক তাৎক্ষণিকভাৱে প্ৰদান কৰে।

ইয়াৰ পিছতে থান চৌহদত উপস্থিত থকা সাংবাদিকসকলৰ সৈতে হোৱা কথা-বতৰাত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱে বৰদোৱাত জন্মগ্ৰহণ কৰিছিল আৰু মধুপুৰ সত্ৰত গুৰুজনাৰ মহাপ্ৰয়াণ হৈছিল। কিন্তু এই পাটবাউসীতে ১৮ বছৰ ৬ মাহ কাল থাকি গুৰুজনাই জীৱনৰ উৎকৃষ্টতম সৃষ্টিৰাজি অসমৰ জনগণ আৰু নতুন প্ৰজন্মৰ বাবে এৰি থৈ গৈছে। গুৰুজনাৰ জন্মস্থান বৰদোৱাত ইতিমধ্যে চৰকাৰে এক বৃহৎ প্ৰকল্পৰ কাম আৰম্ভ কৰিছে। আজি পাটবাউসীলৈ আহি এই থানখনৰ বিষয়ে প্ৰাৰম্ভিকভাৱে বুজ লোৱাৰ কথা উল্লেখ কৰি পাটবাউসীৰ দুয়োখন সত্ৰৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে এটা বৃহৎ প্ৰকল্প হাতত ল'ব বুলি তেওঁ জানিবলৈ দিয়ে। পৰৱৰ্তী সময়ৰ কেবিনেট বৈঠকত এই সম্পৰ্কত সিদ্ধান্ত লোৱা হ'ব বুলিও তেওঁ ব্যক্ত কৰে।

আজিৰ এই থান পৰিদৰ্শনৰ সময়ত উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, নৰোৱা সত্ৰৰ সত্ৰাধিকাৰ দেৱানন্দ দেৱগোস্বামী, সুন্দৰীদিয়া সত্ৰৰ সত্ৰাধিকাৰ জগন্নাথ দেৱ অধিকাৰী, কুমাৰকুছি সত্ৰৰ সত্ৰাধিকাৰ ৰত্নকান্ত অধিকাৰী প্ৰমুখ্যে গণ্য-মান্য ব্যক্তিসকল উপস্থিত থাকে।

ইয়াৰ পিছতে মুখ্যমন্ত্ৰীয়ে মহাপুৰুষ শ্ৰীশ্ৰী দামোদৰ দেৱ স্থাপিত আদিধাম শ্ৰীশ্ৰী পাটবাউসী সত্ৰ পৰিদৰ্শন কৰি সত্ৰখনত সেৱা জনায়। পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীয়ে সত্ৰখনত সংৰক্ষিত হৈ থকা সাঁচিপতীয়া পুথিকে ধৰি আপুৰুগীয়া সম্পদৰাজি প্ৰত্যক্ষ কৰে। সত্ৰ প্ৰাঙ্গনত মুখ্যমন্ত্ৰী ড° শৰ্মাক সত্ৰখনৰ সত্ৰাধিকাৰকে ধৰি সত্ৰ পৰিচালনা সমিতিৰ বিষয়ববীয়াসকলে উষ্ম আদৰণি জনোৱাৰ লগতে সম্বৰ্দ্ধনা জ্ঞাপন কৰে। তদুপৰি, মুখ্যমন্ত্ৰী ড° শৰ্মাক সত্ৰখনৰ তৰফৰ পৰা 'জনশিৰোমণি' উপাধিৰে বিভূষিত কৰি এখনি উপাধিপত্ৰ আনুষ্ঠানিকভাৱে প্ৰদান কৰে।

সত্ৰখনত উপস্থিত থকা ভকত-বৈষ্ণৱক উদ্দেশ্যি প্ৰদান কৰা বক্তব্যত মুখ্যমন্ত্ৰী ড° শৰ্মাই কয় যে অসমৰ ঐতিহ্যমণ্ডিত সত্ৰীয়া সংস্কৃতি নৱ প্ৰজন্মৰ বাবে ৰক্ষা কৰাটো বৰ্তমানৰ চৰকাৰৰ অন্যতম মূল লক্ষ্য। তেওঁ লগতে কয় যে মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ, শ্ৰীশ্ৰী দামোদৰদেৱ, ভট্টদেৱৰ কৰ্মভূমি পাটবাউসীক আগুৱাই নিয়াৰ লগতে পাটবাউসীৰ দুয়োখন সত্ৰকে জগৎ সভালৈ লৈ যোৱা আৰু গুৰুজনাৰ সৃষ্টিৰাজিৰ সংৰক্ষণ আৰু সংবৰ্দ্ধনৰ বাবে ৰাজ্য চৰকাৰে প্ৰয়োজনীয় পদক্ষেপ গ্ৰহণ কৰিব। আজিৰ এই পৰিদৰ্শন কালতে মুখ্যমন্ত্ৰী ড° শৰ্মাই  জিলা প্ৰশাসনক সত্ৰখনৰ মাটিৰ বিৱৰণৰ তথ্য দাখিলৰ বাবেও নিৰ্দেশ দিয়ে।

শ্ৰীশ্ৰী পাটবাউসী সত্ৰ পৰিদৰ্শনৰ সময়ত মুখ্যমন্ত্ৰীৰ সৈতে উদ্যোগ আৰু বাণিজ্য বিভাগৰ মন্ত্ৰী চন্দ্ৰমোহন পাটোৱাৰী, শ্ৰীশ্ৰী পাটবাউসী সত্ৰৰ সত্ৰাধিকাৰ ভাস্কৰজ্যোতি গোস্বামীকে ধৰি বহু সংখ্যক গণ্য-মান্য ব্যক্তি উপস্থিত থাকে।

**নিঃকুঃদাঃ / বঃভাঃ**
**০৩/০৮/২০২১**